# NEWS LETTER

VOL.3 (2017-2018)

# DULIAJAN COLLEGE LIBRARY



## From Principal's Desk:



*It is my pleasure to know that Duliajan College library is going to publish its 2017-18 issue of Newsletter. In this respect, I would like to forward the following lines for my collesgue and beloved students.*

*Today higher education in India is at a crucial stage. With drastic changes proposed to be initiated the scrapping of UGC by HECI being the most conspicuous among them in the field of higher education, the higher education in India is poised to take completely a new trajectory in the coming days. The HECI draft bill which is very much in focus seeks to introduce significant changes in the higher education sector. It is argued that the HECI will cater to the changing priorities of higher education. Since the UGC is preoccupied with disbursing funds, it is unable to concentrate on monitoring higher education institutes, focus on research and implement other quality measures required in the education sector. So it is proposed that the HECI will focus solely on academic matters while grants will be issued by the ministry. However doubts have been. Expressed by the real purpose of the Government as they say the mentioned goals can be achieved by restructuring UGC instead of repealing it. The media and academics have expressed concerns over the structure, powers and functions of HECI, which will facilitate government control in decision making processes rather than academics, dilute the autonomy of universities, over regulate the universities etc. Taking the arguments, in favors of and against the bill into consideration, we can very well predict the future of higher education in India. Tough days are ahead of those associated with the sector of higher education. Days will be tougher for institutes of backward region for institutes of backward regions like ours. The scenario of higher education is changing and it's high time that we did some innovative thinking and got into real action to cope up with the changing scenario.*

*With thanks to Mrs. Mondira Chutia, librarian, Duliajan College who is sincerely and regularly focusing the activities of our library for the students, I wish grand success in her task.*

**Editorial Board**

**Adviser :**
*Mr. Jyoti Prashad Chetia*

**President :**
*Dr. Likhon Ch. Bora*

**Editor :**
*Mrs. Mondira Chutia*

**Members :**
*Mrs. Jyotimali Mahanta*
*Dr. Hemanta Das*
*Sri Parag Saikia*


"মানুহৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধন কৰাই হৈছে শিক্ষা।" - মাহাত্মা গান্ধী

## গ্ৰন্থাগাৰিকৰ একলম ঃ




"Lost wealth may be replaced by industry, lost knowledge by study, lost health by temperance or medicine, but lost time is gone forever." Smiles.

সুনীল হাণ্ডাৰ এটা কাহিনী পঢ়িছিলো। চমুকৈ কাহিনীটো হৈছে এদিন এজন যুৱকে দূৰণিৰ এখন ঠাইলৈ যাবলৈ কাহিলীপুৱাতে যাত্ৰা আৰম্ভ কৰিছিল। বাটত এখন নদী পাৰ হ'ব লগা হোৱাত তেওঁ ভালকৈ পোহৰ হোৱালৈ অপেক্ষা কৰিবলৈ উপযুক্ত ঠাহ অকণমান বিচাৰোতেই ভৰিত কিবা এটা লগা যেন পাই চাই দেখিলে যে সেইটো এটা সৰু সৰু পাথৰ ভৰ্তি মোনা। তেওঁ অনিচ্ছাৰে মোনাটো হাতত তুলি ল'লে। তেওঁ নদীৰ কিনাৰত বহি সময় পাৰ কৰিবলৈ মোনাটোত থকা পাথৰবোৰ এটা এটাকৈ নদীৰ পানীলৈ দলিয়াই থাকিল। অৱশেষত সূৰ্য উদয় হোৱাত তেওঁ যাবলৈ উঠি মোনাত থকা অৱশিষ্ট পাথৰটো নদীলৈ দলিয়াবলৈ ধৰোতে এটা উজ্জ্বল পোহৰে তেওঁৰ চকু চাত মাৰি ধৰিলে। ভালকৈ চাই দেখিলেযে পোহৰটো তেওঁৰ হাতত থকা পাথৰটোৰ মাজেদি প্ৰতিসৰিত হৈ আহিছিল। আচলতে সেই পাথৰটো আছিল এডোখৰ মূল্যৱান হীৰা, যিডোখৰ সূৰ্যৰ পোহৰত উজলি উঠিছিল। যুৱকজনে এতিয়াহে বুজি পালে যে এমোনাকৈ হীৰা পাথৰৰ টুকুৰা বুলি ক'ব নোৱাৰাকৈ তেওঁ নদীখনত দলিয়াই পেলালে।



মৰমৰ ছাত্ৰ-ছাত্ৰীসকল, আমাৰ জীৱনত সময়ো হীৰাৰ দৰে মূল্যৱান। কিন্তু এই সময় অবাবত অপব্যয় কৰি আহিছোঁ। মূল্যৱান হীৰাসদৃশ জীৱনৰ অমূল্য সময়খিনি যুৱকজনে ভুলতে পাথৰ দলিওৱাৰ নিচিনাকৈ যে দলিয়াই আছোঁ সেই কথা আনন্দ উপভোগৰ মাজত অনুভৱ কৰিব নোৱাৰো। আৰু যেতিয়া কথাবোৰ বুজি পোৱা যায় তেতিয়া বহুত পলম হৈ যায়। গতিকে কোৱা হয় সময়ৰ শৰ সময়ত মাৰিব পাৰিলেহে জীৱনত উন্নতি কৰিব পাৰি। সময়ৰ কাম সময়ত সম্পূৰ্ণ কৰি জীৱনটোক সঠিক দিশত আগুৱাই নিবলৈ ইয়াক কৌশলগত ভাৱে পৰিচালনা কৰিব পৰাটোৱেই হ'ল Time Management skill. "Time management is the process of organizing and planning how to divide your time between specific activities. Good time management enables you to work smarter not harder so that you get more done in less time."



ইয়াৰ বাবে আমি প্ৰথমে সময়ৰ মূল্য বা value ক বুজি পাব লাগিব। তাৰ পিছত যিকোনো কাম কেনেকৈ আঁচনি কৰি আগুৱাই নিব পাৰি তাত গুৰুত্ব দিব লাগিব। কাম বিলাকৰ আঁচনি কৰিবলৈ যাওঁতে গুৰুত্ব দিব লগা কথাবোৰ হৈছে কি কাম কৰিব, কোনে কৰিব, কেতিয়া কৰিব, ক'ত কৰিব, কিয় কৰিব আৰু কেনেকৈ কামটো কৰিব, এই গোটেই বিলাক কথা বিশ্লেষণ কৰি লোৱাতো। সেইবাবেই সকলো কামৰ এটা লক্ষ্য থকাটো অতি প্ৰয়োজনীয়। জীৱনত যেতিয়া এটা লক্ষ্য স্থিৰ কৰা হ'ব তেতিয়া সেই লক্ষ্যত উপনীত হ'বলৈ plan কৰি কামত আগবাঢ়িব পাৰি যিটোৱে লক্ষ্যত উপনীত হ'বলৈ সহায় কৰিব।

### কবিৰ ভাষাৰে

"গোটোৰা গোলাপ কলি
থাকোতে সময় সখি,
জীৱনৰ সোঁত বলি যায়।
যিটি ফুলে হাঁহি আজি
ফুলনি ফুলাই তোলে,
কালিলৈ পাহি মেলি নেহাঁহে দুনাই
সময়ৰ সোঁত বলি যায়।"



"নিজক সদায় আনন্দত ৰাখিবা। আনন্দময়, উৎসাহী আৰু শক্তিমানৰ কাৰনেহে এই জগতখন, দুৰ্বলীৰ বাবে নহয়।"
- এমাৰ্ছন।

## Different Activities of the Library in the year 2017-2018.

### 1. Book Fair:



Book Fair is a display or exhibit of books typically by a group of publishers or book dealers for promoting sales and stimulating interest for promoting the reading habit among people of all age groups. Apart from promoting literacy and reading habit the fair presents a vast panorama of books on wide range of subjects in one place. To considering all these things Duliajan College library organises a book fair in every academic year so that our students, teachers and other book lovers can look at before they decide to buy and purchase books according to their needs.

### 2. Library Orientation Programme to new comers:



Orientation programme is "Primarily Concerned with ways of introducing the user to the general techniques of library uses and services available and the organisation layout and facilities of a particular library." The Orientation programme helps the users to make themselves familiar as how to use the library.

Our college library organises an Orientation course to educate and to grow consciousness among the newly joined students about library services in every new session.

### 3. Celebration of Librarians' Day:




August 12th is celebrated as National Librarian's Day in India, in the remembrance of national professor of library science, Dr. S.R. Ranganathan (1892-1972), who had spearheaded library development in India.

Duliajan College library had also celebrated August 12, 2017 as librarian's day in his honour.

The program was started with the lighting of the lamp by the Pricipal of Duliajan College, Sri Jyoti Prasad Chetia and this was followed by some other members of the institution.









As a agenda of the Day, Duliajan College library organised a summary writing competition among the student. But very few students participated in the competition and 3 (three) of the them won the prize. They are Miss Bobee Borah, Class-XII, Miss Amee Borah, B.A. 1st semester, Miss Roshan Khatun, B.A. 3rd semester. The Vice-Pricipal of the Duliajan College Dr. Likhan Ch. Bora had given a nice lecture on the life, education and contribution of Dr. S. R. Ranganathan. All the students and teachers of the college attended the meeting and enjoyed the whole day in the name of librarian's day.

Mrs. Bina Bordoloi Associat Prof. Deptt of Assamese and Dr. Hemanta Das Associat Prof. Deptt. of Sociology also gave a lecture on that day.

## 4. Opening the E-corner in the Library:



Now a days technology has covered all area of life and the uses of e- technology have promoted incredible work procedures and approaches. As a resource centre the academic libraries have great role to help academic community in every steps and needs. Today the world is moving from print media towards electronic media. Users have come to the library for different works like photocopy, printing, online admission etc.etc. In view of the above mentioned, the Duliajan College library have decided to open a E-corner to serve the needs of the user. **Duliajan College E-corner** looks after all the matters like photocopy, online admission, printing, scanning makes identity card etc. for the user's need.




## 5) Donation Page :

We are very pleased and thankful to you as your great effort to enrich our library and encourage us to move forward.

1) Satirtha Gyanyatra,
   Guwahati
   (Referance Books 4 nos.)

সতীর্থ জ্ঞান যাত্রা

2) Mrs. J.S. Pathak
   Associat Prof. Deptt. of English
   Duliajan College
   (Ref. Book 1 no.)



3) Sri Nayanjyoti Hazarika
   Asstt. Prof. Deptt. of English
   Duliajan College
   (Ref. Book: 1 no.)



4) Dr. Niranjan Baruah
   Associate Prof. (Ex Prof)
   Deptt. of Physics
   Duliajan College
   (Ref. Books:4 nos)



5) Mrs. Pranati Goswami Bandyopadhya
   Associate Prof. (Ex. Prof),
   Deptt. of Bengali
   (Ref. Book: 1 no)

6) Sri Umesh Hazarika
   Retired Teacher
   Kathaguri H.S. School
   (Ref. Book: 1 no)


7) Sri Dilip Gohain
   Duliajan College
   Subject related books: 2 nos



*"Do not take rest after your first victory because if you fail in second more lips are waiting to say that your first victory was just luck." - Dr. A.P.J. Abdul Kalam*


## Book Review:

## 1) TRILINGUAL ENCYCLOPEDIC DICTIONARY OF MEDICINAL PLANTS -




The dictionary containing over 600 herbal plants available in this region of the country in the form of "Encyclopedic dictionary of medicinal plants" is a commendable effort and contribution of allopathic doctors Dr. Devi Charan Thakur and Dr. Minaxee Thakur together with the Agronomist Dr. Anil Thakur. It has included both cultivated and wild plants as well as few cryptogams with medicinal potentiality. The photographs, plant description and systematic position of each species are also provided along with medicinal properties in such a way that the users can get comprehensive information of the plant resources to enrich their knowledge and further their activities on these resources covering the aspects of conservation, value addition and utlilization. Since it is in three languages, namely Assamese, Hindi and English, people well versed with anyone them shall be benefited understanding the subject. Definately this publication will help in recognizing the plants and enriching people with all useful information about medicinal properties hiden in different plant species. The collection will be a valuable resource for students and scholars of any field.

## 2) UNKNOWN FACTS ABOUT WELL KNOWN PEOPLE -





The book is craving for knowing about the people who mattered continues unabated. There is an insatiable curiosity for insight into the lives, actions, struggles, triumphs and tragedies of the men and women who made history of people who held the centre-stage during their lives and left deep imprint on the sands of time. Lives of great men all remind us as to how they lived and fared, how they interacted with their friends, foes and relations how they managed to get over dificulties, how they ran administration efficiently, how they dared the might and fury of the people arraigned aganist them, how they gave their all to the causes they took up with dedication, how they even paid with their lives for such unflinching loyality to the objectives.

Their lives provide us a lot of information about how to conduct ourselves in life, how to overcome our limitations, how to expand the vistas of our vision, how to become better citizens, how to make a success of what we undertake.

Here are well written anecdotes, interesting facts, entertaining snippets and well drawn sketches of the well known in all spheres of life. The book is really a must for all kinds of orators, debaters, managers, legislators, students, rescarchers and academicians.

Authors of the book are R. K. Murthi and Rajan Parasher and edited by Dr. Suresh Chand. Our library collect the book recently.

## 3) ENCYCLOPEDIA OF QUESTIONS AND ANSWERS :




With over 3000 colour photographs and illustrations the Encyclopedia of Questions and Answers is perfect reference tool for home and any academic institutions.

In the book contains detailed information on topics as varied as History, Geography, Nature, Animals, Human Body, Science and Technology and many many more.

Packed with facts and crisply written to encourage reading skills and build up the vocabulary, this book is very helped for students and adults alike, who love to explore and enlighten their minds with knowledge about our world.

This book is the perfect tool for our students providing intriguing questions and introducing the reader to a variety of extraordinary facts about our universe. The book is published by Golden Minds Publishing House.

## 4) 8000 AWESOME THINGS YOU SHOULD KNOW :




This incredible reference resource provides knowledge, fascination and inspiration on every page. Its 800 subject panels contain facts that will inform, amaze and entertain. You can read about dinosaurs, sharks, mammals, ancient and modern history and much more.


The book is divided into eight broad areas. On each double page spread there are three or four subject panels. Each panel contains ten key facts and is identified with a highlighted subject symbol.

Contents of the books are Dinasaurs, Prehistoric life, Sharks, Insects, Birds, Mammals, Ancient History and Modern history.

The author of the book is Miles Kelly and published by Miles Kelly publishing Ltd.

The collection will be a valuable resources for students and scholars of any field related with the contents.

## 5) ডঃ ভূপেন হাজৰিকা ৰচনাৱলী (১ম, ২য়, ৩য় খণ্ড) :




সাহিত্য আৰু কলা-সংস্কৃতিৰ জগতত সুৰ আৰু কণ্ঠেৰে গীত আৰু গদ্যৰে সজোৱা এক বৰ্ণাঢ্য বিচিত্ৰানুষ্ঠানৰেই অন্য নাম ভূপেন হাজৰিকা। আজীৱন সুন্দৰৰ সৰুবৰ আলিয়েদি লৰৰি ফুৰা ভূপেন হাজৰিকাৰ বিচৰণভূমিৰ পৰিধি বহুবিস্তৃত আৰু বৈচিত্ৰ্যমণ্ডিত। দেশ কালৰ পৰিধি অতিক্ৰম কৰি তেওঁ হৈ পৰিল বিশ্ববিশ্ৰুত এক যুগজয়ী শিল্পী। এই বিশ্ববিশ্ৰুত শিল্পীগৰাকীয়ে ৰচনা কৰা অমূল্য অৱদান গীত আৰু বাদ্যসমূহ একত্ৰিত কৰি ভূপেন হাজৰিকা ৰচনাৱলীখনি সজাই পৰাই সম্পাদনা আৰু প্ৰকাশ কৰি উলিয়াইছে সূৰ্য্য হাজৰিকা (সম্পাদক) আৰু ৰতিমোহন নাথ (কাৰ্য্যবাহী সম্পাদক) দেৱ আৰু তেখেতৰ সহযোগীসকলে। ৰচনাৱলীখন যুগুত কৰা হৈছে তিনিটা খণ্ডত।

প্ৰথম খণ্ডত সংযোজিত কৰা হৈছে ক্ৰমে সাহিত্য, কলা-সংস্কৃতি, বিহুৰ বতৰত বিচিত্ৰ চিন্তা, দেশ-বিদেশৰ সাময়িক প্ৰসঙ্গ, চিত্ৰনাট্য আৰু দিহিঙে-দিপাঙে শীৰ্ষক ছটা অধ্যায়।


একেদৰে দ্বিতীয় অধ্যায়ত সংযোজিত কৰা হৈছে - ক্ৰমে ব্যক্তি আৰু প্ৰতিভা, গীত, কবিতা, ভূপেন মামাৰ গীতে মাতে অ আ ক খ, ভাষণাৱলী আৰু গৱেষণাগ্ৰন্থ শীৰ্ষক ছটা অধ্যায়।

তৃতীয় খণ্ডত সংযোজিত কৰা হৈছে তেখেতৰ এখনি আত্মজীৱনী- মই এটি যাযাবৰ, সাক্ষাৎকাৰ, বিধানসভাত ভূপেন হাজৰিকা আৰু পৰিশিষ্ট শীৰ্ষক চাৰিটা অধ্যায়।

'পৰিশিষ্ট' শীৰ্ষক অধ্যায়ত সন্নিৱিষ্ট কৰা হৈছে শিল্পী গৰাকীৰ সমগ্ৰ জীৱন আৰু কৰ্ম্মকৃতিৰ সংক্ষিপ্ত পৰিচয় সম্বলিত জীৱন পঞ্জী আৰু বিচিত্ৰধৰণৰ তথ্যৰ আধাৰত প্ৰস্তুত কৰা সৰু সৰু অধ্যায়।

এই মহামূল্যৱান গ্ৰন্থসংকলন তিনিওটাই আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটিত শুভাবৰ্ধণ কৰাৰ লগতে পঢ়ুৱৈ সমাজক স্বনামধন্য শিল্পীগৰাকীৰ বিষয়ে জানিবলৈ সুবিধা প্ৰদান কৰিছে। ছাত্ৰ-ছাত্ৰী সকলে গ্ৰন্থখনি পঢ়ি ভূপেন হাজৰিকাৰ জীৱনৰ ঘটনাৰাশি জানিব পাৰিব।

## 6) CURING EVERYDAY AILMENTS the natural way :




Curing Everyday Ailments the natural way provides you with authoritative yet easy-to-apply answers about your health disorder & remedies.

Maintaining Health the Natural way, you will find inportant information about the kind of diet, lifestyle and healthy and to stay healthy. It describes the theories behind 10 major therapies that you can use at home along with instructions in basic techniques and important general cautions.

" খং নকৰিবা, নিজৰে সৰ্বনাশ হ'ব। অহংকাৰ নকৰিবা, নিজৰে পতন হ'ব। কাকো ঘৃণা নকৰিবা, নিজেও ঘৃণিত হ'বা।"

- স্বামী বিবেকানন্দ।

## Information Corner :

### 1) World Environment Day :

World Environment Day is celebrated on the 5th of June every year and is the United Nation's Principal vehicle for encouraging awareness and action for the protection of our environment. First held in 1974 it has been a flagship campaign for raising awareness on emerging environmental issues from marine pollution, human overpopulation, and global warming to sustainable consumption and wildlife crime. Each year WED has a new theme that major corporations. The theme for 2015 was "seven billion dreams. One Planet. Consume with Care." The 2016 WED was organised under the theme "Go Wild for Life". The theme for 2017 was "Connecting people to Nature in the city and on the land from the poles to the equator." The theme for 2018 is "Beat Plastic Pollution." The host nation is India.




For almost five decades, World Environment Day has been raising awareness, supporting action, and driving change among people and society. Now, WED has grown to become a global plateform for public, with participation from 143 countries.

### 2) কাপোৰ ধোৱা মেছিন (Washing Machine):



যান্ত্ৰিক পদ্ধতিৰে কম খৰচত আৰু কম পৰিশ্ৰমেৰে কপোৰ কেনেকৈ চাফা কৰিব পাৰি সেই বিষয়ে মানুহে ১৯ শ শতিকাৰ প্ৰথম ভাগতে চিন্তা-চৰ্চা আৰম্ভ কৰিছিল।

আমেৰিকাৰ পিৰ্টছ বাৰ্গৰ হেমিল্টন স্মিথে (Hamilton Smith) ১৮৫৮ চনত দীৰ্ঘদিন চেষ্টা কৰি এটা মেছিন সাজি উলিয়ায়। এই মেছিনটো আছিল পেডেল লগোৱা এটা কাঠৰ ডাঙৰ চৰিয়া, যিটোত লেতেৰা কাপোৰ-কানি পানীত তিয়াই তাত গুড়ি চাবোন সানি ভৰাই লৈ হাতনি মাৰি (Crank ) এডালেৰে পেডেল ঘূৰাব লাগিছিল। ইয়াৰ পাঁচ বছৰ পাছত হেমিল্টনে তেওঁৰ মেছিনত ওলোটামুখী গিয়াৰ (Reversing Gear) সংযোগ কৰি মেছিনৰ হাঠাডাল আগলে পিছলে ঘূৰাব পৰা কৰিলে।

১৯০৬ চনত আমেৰিকাৰ ছিকাগো চহৰৰ আলভা ফিশ্বাৰ (Alva Fisher) নামৰ লোকজনে বৈদ্যুতিক শক্তি চালিত কাপোৰ ধোৱা মেছিন প্ৰস্তুত কৰি উলিয়ায়। এই মেছিনত বৈদ্যুতিক মটৰৰ সহায়ত পেডেল ঘূৰোৱাৰ ব্যৱস্থা আছিল। পৰ্য্যায়ক্ৰমে কপোৰ তিওৱা চৰিয়াটোত কাঠৰ পৰিৱৰ্তে তাম, দস্তা, ইস্পাত, এলুমিনিয়াম আদি ধাতু ব্যৱহাৰ হ'বলৈ ধৰিলে।

১৯২৪ চনত কাপোৰ ধোৱা মেছিনৰ লগত বিদ্যুৎ চালিত কাপোৰ শুকুওৱা মেছিন এটাও সংযোগ কৰা হয়। নিউইয়ৰ্কৰ 'ছেভেজা আৰ্মছ কৰ্প'ৰেছন (Savage Arms Corporation) নামৰ সংস্থাটোৱে এই নতুন কৌশলটো উদ্ভাৱন কৰিছিল। ১৯৪০ চনৰ শেষৰফালে আমেৰিকাচত স্বয়ংক্ৰিয় কপোৰ ধোৱা মেছিনৰ উদ্ভাৱন হয়।

### 3) কাৰ্বন পেপাৰ (Carbon Paper) :



কোনো লিখনিৰ প্ৰতিলিপি একাধিকবাৰ কৰিবলৈ ১৮০৬ চনত ইংলেণ্ডত ৰালফ ৱেজউড (Ralph Wedgewood) নামৰ এজন ব্যক্তিয়ে এক নতুন পদ্ধতি উদ্ভাৱন কৰে। ইয়াক কাৰ্বন পেপাৰ বুলি কোৱা হয়। কাৰ্বন কাগজ তৈয়াৰ কৰা হয় মূল কাগজৰ ওপৰত কাৰ্বন ব্লেক, মম, পূৰক দ্ৰব্য আদিৰ মিহি মিশ্ৰণৰ প্ৰলেপ দি। কাৰ্বন কাগজ তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা মূল কাগজখন পাতল আৰু মিহি হ'ব লাগে। কাৰ্বন কাগজবোৰ প্ৰধানকৈ নীলা আৰু ক'লা ৰঙৰ যদিও আন আন ৰঙৰো কাৰ্বন কাগজ তৈয়াৰ কৰিব পাৰি।


১৯৫৩ চনত ব্ৰিটিছ কপি কোম্পানি এটাই কাৰ্বন কাগজৰ সহায় নোলোৱাকৈ কপি কৰিব পৰা এবিধ কাগজ আৱিষ্কাৰ কৰে। ইয়াক কাৰ্বন বিহীন কপি কৰা কাগজ বুলি আখ্যা দিয়া হয়। ৰাসায়নিক বিক্ৰিয়াৰদ্বাৰা ৰঙৰ সৃষ্টি হোৱা আৰু দেখাত সাধাৰণতে বগা কাগজ যেন লগা কাৰ্বনবিহীন কপি কাগজৰ বৰ্তমান চাহিদা দ্ৰুত গতিত বাঢ়ি যাব লাগিছে। কাৰ্বনবিহীন কপি কাগজৰদ্বাৰা উজ্জ্বলকৈ আৰু লেতেৰা নোহোৱাকৈ দহোটা পৰ্য্যন্ত কপি একেলগে পাব পাৰি।

কম্পিউটাৰ, টেলিপ্ৰিণ্টাৰ আদি যন্ত্ৰত কাৰ্বনবিহীন কপি কাগজ কোনো অসুবিধা নোহোৱাকৈ ব্যৱহাৰ কৰিব পাৰি। ইয়াৰ উপৰিও বেংক, হোটেল বিল, বেচা-কিনাৰ হিচাপৰ ফৰ্ম, আকাশীযান, জাহজ, ৰেলৰ টিকট আদিৰ বাবেও এই কাগজ ব্যৱহাৰ কৰা হয়।

> "তুমি জীৱনক ভাল পোৱানে? যদি পোৱা তেনেহ'লে সময় নষ্ট নকৰিবা, কাৰণ সময়ৰ ধাতুৰেই জীৱন নিৰ্মিত।"
>
> \- ফ্ৰেংকলিন

## 4) ক্রেডিট কার্ড (Credit Card) :

ক্রেডিট কার্ড হ'ল একপ্রকাৰ বেংকিং (Banking) ব্যৱস্থা। ব্যাণিজ্যিক বেংকৰ চেক (Cheque), ড্রাফট (Draft) আদিৰ নিচিনা ক্রেডিট কার্ডে এক ধৰণৰ মুদ্রা বুলিয়ে অভিহিত কৰিব পাৰি। ক্রেডিট কার্ড সেৱাৰ প্রথম আৰম্ভণি হয় আমেৰিকাত ১৯২০ চনত।




দ্বিতীয় মহাযুদ্ধৰ পাছত আমেৰিকাৰ হোটেল, দোকান আদিত ক্রেডিত কার্ড সেৱা প্রৱর্তন হয়। ১৯২০ চনত আমেৰিকাত ডাইনার্ছ ক্লাৱে (Diner's Club) সর্বসাধাৰণ মানুহে কিনিব পৰাকৈ প্রথম ক্রেডিট কার্ড উলিয়ায়।

কম্পিউটাৰৰ অগ্রগতিত লগে লগে ক্রেডিট কার্ড সেৱাৰো অনেক উন্নতি সাধন হ'বলৈ ধৰে। বৃহৎ বৃহৎ পৰিমানৰ বিত্তীয় আদান প্রদানবোৰ এই কম্পিউটাৰৰ সহায়ত নিয়ন্ত্রণ কৰিব পৰা হোৱাত ক্রেডিট কার্ডৰো দ্রুত বৃদ্ধি ঘটে।

বিশ্বত বর্তমান প্রায়বোৰ দেশতে ক্রেডিট কার্ড সেৱা প্রৱর্তন হৈছে। এই ব্যৱস্থাৰ ফলত নগদ ধনৰ (Cash) ভূমিকা কিছুমান সমাজত একেবাৰে কমি গ'ল।

## 5) বীজাণুনাশক ঃ

এণ্টিছেপ্টিক (Antiseptic) বা বীজাণুনাশক হ'ল জীৱদেহৰ কোষ বা কলাৰ কোনো অনিষ্ট সাধন নকৰাকৈ ৰোগ সৃষ্টিকাৰী অনুজীৱ ধ্বংস কৰিব পৰা কিছুমান ৰাসায়নিক পদার্থ। শৰীৰৰ কোনো অংশত ঘা হ'লে বেক্টেৰিয়াৰ আক্রমণৰ পৰা ৰক্ষা পাবলৈ এণ্টিছেপ্টিক লগোৱা হয়।




বর্তমান অনেক প্রকাৰৰ Antiseptic Cream বজাৰত পোৱা যায়। এই বিলাকত কার্বলিক এডিছৰ উপৰিও ব'ৰিক এছিড, বেনজয়িক এছিড, ছেলিছাইলিক এছিড, ছ'ডিয়াম হাইড্র'অক্সাইড, ইথানল, ফর্মেলডিহাইড, ফিন'ল আদিকো এণ্টিছেপ্টিক দৰব প্রস্তুত কৰাত ব্যৱহাৰ কৰা হয়।

যিকোনো অস্ত্রোপচাৰৰ সময়ত চিকিৎসকে নিজে চাবোনেৰে হাত ধুই লোৱাৰ লগতে ৰোগীৰ অস্ত্রোপচাৰৰ স্থান চাবোন, ইথাৰ বা এলকহলেৰে ধুই লয়। ইয়াৰ পাছত টিংচাৰ অব আয়'ডিন, হিবিটেন বা তেনেধৰণৰ আন এণ্টিছেপ্টিক সানি লোৱা হয়। এণ্টিছেপ্টিকৰ ব্যৱহাৰৰ আগলৈ মস্তিষ্কৰ অস্ত্রোপচাৰ কৰাটো প্রায় অসম্ভৱ আছিল। কাৰণ মস্তিষ্কৰ নিচিনা অতি সংবেদনশীল স্থানত অস্ত্রোপচাৰৰ সময়ত ৰোগ সৃষ্টিকাৰী অনুজীৱ মস্তিষ্কৰ ভিতৰত প্রৱেশ কৰি গোটেই মস্তিষ্কটো নষ্ট হোৱাৰ ভয় আছিল। Antiseptic ৰ আৱিষ্কাৰে সেই সমস্যা সমাধান কৰিলে। লুই পেষ্টাৰ (Louis paster) , Joseph Lister আদি মহান বিজ্ঞানীসকলৰ প্রচেষ্টাৰে বীজাণুনাশকৰ আৱিষ্কাৰ হয়।

সহায়ক গ্রন্থ ঃ বিশ্বকোষ, ৩য় খণ্ড।

## 6) পেটেন্ট ( Patent) :

পেটেন্টে (Patent) হ'ল চৰকাৰ পদত এক বিশেষ অধিকাৰ (Legal right) যি অধিকাৰৰ কাৰণে কোনো আৱিস্কাৰ কৰা উৎপাদকে যিকোনো সামগ্রী নির্মাণ ব্যৱহাৰ আৰু ব্যৱসায় আদি কৰিব পাৰে। চৰকাৰক পেটেন্টৰ বাবে আবেদন কাৰিবলৈ আবেদন পত্রত আৱিষ্কাৰকৰ নাম, আৱিষ্কাৰ কৰা সামগ্রীৰ নাম, চন, তাৰিখ, দেশ আৰু যদি আগতে আৱিষ্কাৰ কৰা কোনো সামগ্রীৰ নতুন সংস্কৰণ কৰা হয়, তাৰ আগৰ সংস্কৰণত কি কি হৈছিল, সেয়া সবিস্তাৰে জনাব লাগে। আৱিষ্কাৰৰ কার্যকাৰিতাৰ প্রয়োজনত ছবি, চার্টৰ মাধ্যমেৰে আৰু বাস্তৱ প্রয়োগৰ উদাহৰণ দি আৱিষ্কাৰ সহজবোধ্য কৰি দিব লাগিব। তদুপৰি নতুন উৎপাদন সামগ্রী হ'ব লাগিব — (১) অভিনৱ (Novel), মানে বিশ্বত এয়া প্রথম, (২) ব্যৱহাৰ যোগ্য (useful), মানে বাস্তৱত ব্যৱহাৰ হ'ব লাগিব, (৩) সম্পাদনযোগ্য (Executable), মানে আৱিষ্কৃত সামগ্রী সঁচাই ৰূপায়িত হ'ব লাগিব, (৪) অনির্ধাৰিত (Non-obvious), মানে আগৰ নিজস্বতা থাকিব, উদাহৰণ স্বৰূপে ঔষধৰ ক্ষেত্রত পেৰাচিটামল আৰু ব্রুফেন মিশ্রণ কৰিলে এনে এবিধ ঔষধ তৈয়াৰ হয়, যি জ্বৰ আৰু বিষ হ্রাস কৰে, আগৰ নিজস্বতাও ৰক্ষা কৰে। পেটেন্টৰ ম্যাদ ২০ বছৰ। ঔষধ, খাদ্য, ৰাসায়নিক দ্রব্য, পদ্ধতি, যন্ত্রপাতি আদিত পেটেন্ট ব্যৱহাৰ কৰা হয়।




পেটেন্টৰ প্রধান উদ্দেশ্য হৈছে যিকোনো আৱিষ্কাৰকৰ নতুন আৱিষ্কাৰক অন্যলোকে নকল বা চুৰি কৰাৰ পৰা ৰক্ষা কৰা।

সাহায্য সূত্র ঃ www.businessdictionary.com তিলো সোণোৱাল, পেটেন্ট (Patent ), দৈনিক জনমভূমি।

"*Education is the most powerful weapon which you can use to change the world.*"
- *Nelson Mandela*

## কেৰিয়াৰ গাইড পৃষ্ঠা ঃ

## 1) Staff Selection Commission:

SSC is an organisation under Government of India to Recruit Staff for various posts in the various Mnistries and Development of the Government of India and in Subordinate Offices.

The estimates committee in the parliament recommended the setting up of a service Selection Commission in its 47th report (1967-68) for conducting examinations to recruit lower categories of posts. The functions of Staff Selection Commission were redefined by The Government of India through Ministry of Personnel Public Grievances and Pension on 21 May 1999. Every year SSC conducts the SSC combined Graduate Level Examination for recruiting non-gazetted officers to various Government jobs.

**Headquaters** : SSC has its headquarters located at New Delhi. At present it has Seven Regional Offices at Allahabad, Mumbai, Kolkata, Guwahati, Chennai, Bangalore. It also has two Sub-Regional Offices at Raipur and Chandigarh.

Exams Conducted by SSC:

1. SSC Combined Higher Secondary Level Exam
2. Junior Engineer
3. Hindi Translator
4. SSC GD Constable
5. SSC Multitasking
6. Scientific Assistant Post
7. Selection Post
8. Central Police Organisation etc.

## 2) ডিজাইনিং ঃ (Designing) :

ডিজাইনিং হ'ল এনে এক পেছাদাৰী ক্ষেত্ৰ যি বিভিন্ন ধৰণৰ আঁচনি ৰূপায়ণত উৎপাদিত বস্তু গঢ় দিয়াত, থকা বস্তুৰ বিশেষ পৰিৱৰ্তন আনি আকৰ্ষণীয় কৰাত সহায় কৰে। Industrial Designing ৰ পৰা আৰম্ভ কৰি Visual Communication Design, Creative Fashion Design, Interior and Exterior Design, Jewellery Design, Theater and Set Design আদি সকলো ডিজাইনিঙৰ ভিতৰত পৰে। গাড়ী, ৰিক্সা, মটৰ, আচবাব-পত্ৰ, ঘৰুৱা ব্যৱহৃত সা-সামগ্ৰী, পুতলা, ইলেক্ট্ৰনিক সা-সামগ্ৰী, চেৰামিকৰ সা-সামগ্ৰী, বিভিন্ন যন্ত্ৰ-পাতি আদি সকলো Industrial Design ৰ অধীনত।

বৰ্তমান ফেচন ডিজাইনিঙৰ লগতে সমানে জনপ্ৰিয়তা লাভ কৰিছে এক্সেচৰী ডিজাইনিং, নীটৱেৰ এণ্ড টেক্সটাইল ডিজাইন, লেডাৰ বা ফুটৱেৰৰ ডিজাইনি আদি।

**অৰ্হতা** ঃ ডিজাইনিঙৰ যিকোনো ক্ষেত্ৰতে নামভৰ্তিৰ বাবে তুমি নুন্যতম উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগে। বিজ্ঞান শাখাত পঢ়িলে Fashion Technology, Packaging Technology আদিত নামভৰ্তি কৰিবলৈ সুবিধা হয়।

আহমেদাবাদৰ National Institute of Design, নতুন দিল্লী আৰু দেশৰ বিভিন্ন ঠাইত থকা National Institute of Fashion Technology, নতুন দিল্লীৰ Exterior-Interior Design, APJ Institute of Design, Indian Diamond Institute, Indian Institute of Packaging Technology, International Institute of Fashion Technology, Assam Textile Institute আদিত Designing ৰ বিভিন্ন পাঠ্যক্ৰম পঢ়াৰ সুবিধা আছে।

## 3) ভাষা শিক্ষা ঃ

বিশ্বৰ এক প্ৰান্তৰ লগত আন এক প্ৰান্তৰ অবাধ বাণিজ্যৰ প্ৰধান মাধ্যম হ'ল ভাষা। ইয়াৰ বাবে ভাষাজ্ঞান হ'ব লাগিব পেছাদাৰী ধৰণৰ।

প্ৰকাশন, তথ্য-প্ৰযুক্তি, ইঞ্জিনিয়াৰিঙৰ পৰা আৰম্ভ কৰি প্ৰতিটো নতুন ক্ষেত্ৰতে কামৰ সুযোগ পাবলৈ বিদেশী ভাষাৰ পেছাদাৰী জ্ঞান অত্যন্ত জৰুৰী। বিদেশী ভাষাক এতিয়া এটি সম্পূৰ্ণ পৃথক পেছাদাৰী ক্ষেত্ৰ হিচাবে গণ্য কৰা হৈছে। অনুবাদ আৰু দোভাষীৰ উপৰি পৰ্যটনৰ পৰা আৰম্ভ কৰি ছফটৱেৰ শিল্প, কাষ্টমছ, বিমান সংস্থা, কনচুলেট, বিদেশী বেংক আৰু বহুজাতিক বাণিজ্যিক সংস্থা সৰ্বত্ৰই ক্ৰমবৰ্ধমান হাৰত চাকৰিৰ সুযোগ বাঢ়িছে। ফৰাচী, জাৰ্মান, স্পেনিছ, জাপানী অথবা অন্য কোনো বিদেশী ভাষা জনা ব্যক্তিৰ। উচ্চ শিক্ষা অথবা গৱেষণাৰ কামত বিদেশলৈ যাবলৈ হ'লেও বিদেশী ভাষাজ্ঞান থকা দৰকাৰ।

অৰ্হতা ঃ সাধাৰণতে বিদেশী ভাষা অধ্যয়নৰ বাবে উচ্চতৰ মাধ্যমিক বা স্নাতক হ'ব লাগে। অসমৰ গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়নৰ বাবে স্নাতক হ'ব লাগিব আনহাতে দিল্লী বিশ্ববিদ্যালয়, বেনাৰস হিন্দু বিশ্ববিদ্যালয় আদিত উচ্চতৰ মাধ্যমিকৰ অন্তত পাঁচ বছৰীয়া Integrated পাঠ্যক্ৰম পঢ়িব পাৰি।

## 4) কৰ বিষয়ৰ পাঠ্যক্ৰম আৰু কেৰিয়াৰ (Taxation) ঃ

চৰকাৰী নিৰ্দেশাৱলীমতে ব্যক্তি বিশেষে নিজৰ আয় অনুসৰি কেনেদৰে চৰকাৰক কৰ পৰিশোধ কৰিব, কি পৰিমাণৰ কৰ পৰিশোধ কৰিব বা এই কৰৰ লাভালাভ কি দৰে আহৰণ কৰিব এই সকলোখিনি কাম কৰে কৰ বিষয়াসকলে।

Taxation বা কৰ বিষয়ৰ বিভিন্ন পাঠ্যক্ৰম কৰাসকলে নিজৰ পাঠ্যক্ৰম অনুসৰি বিভিন্ন পদত যেনে Tax Analist, Tax Adviser, Tax Collector, Tax Consultant, Property Tax Consultant আদি বিবিধ পদত নিয়োজিত হ'ব পাৰে।

পাঠ্যক্ৰম ঃ Taxation বিষয়ক অধ্যয়নৰ বাবে দীৰ্ঘম্যাদী, হ্ৰস্বম্যাদী আদি বিভিন্ন পাঠ্যক্ৰম আছে। যেনে ঃ-

- Diploma in Accounting and Taxation
- Diploma in Service Tax
- Advance Diploma in Taxation Law
- Advance Diploma in Taxation আদি

- Bachelor of Commerce in Taxation
- B. Com. in Tax Procediwar and Practices
- M. Com in Finance and Taxation
- M. Com in Accounting and Taxation
- Post Graduate Diploma in Taxation
- Post Graduate Diploma in Tax Management and Tax Administration.


অৰ্হতা ঃ বাণিজ্য শাখাত উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ যিকোনো ছাত্ৰ-ছাত্ৰীয়ে স্নাতক মহলাৰ ডিগ্ৰী আৰু ডিপেমা পাঠ্যক্ৰম পঢ়িব পাৰে। সেইদৰে, বাণিজ্য শাখাৰ স্নাতক ছাত্ৰ-ছাত্ৰীয়ে স্নাতকোত্তৰ মহলাৰ বিভিন্ন পাঠ্যক্ৰম পঢ়িব পাৰে।

তথ্যসূত্ৰ ঃ কেৰিয়াৰ গাইড
Vol. 13 Issue 7/8 2018.

## 5. Study Abroad ঃ

বিদেশত শিক্ষা গ্ৰহণ কৰিবলৈ ইচ্ছা কৰা ছাত্ৰ-ছাত্ৰীসকলে কিছুমান প্ৰৱেশ পৰীক্ষাত বহীবলগা হয়। এই পৰীক্ষাসমূহত কৃতকাৰ্য হলেহে একোজন ছাত্ৰ বা ছাত্ৰী বিদেশত শিক্ষা গ্ৰহণ কৰিবৰ বাবে যোগ্য বিবেচিত হয়। Graduate Record Examination (GRE), Graduate Management Admission Test (GMAT), International English Language Testing system (IELTS), and Test of English as a Foreign Language (TOEFL) হ'ল এনেধৰনৰ পৰীক্ষা। আজি ইয়াত আমি GRE ৰ বিষয়ে আলোচনা কৰিম।

**GRE**: যদি কোনো ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ স্নাতকোত্তৰ ডিগ্ৰী আমেৰিকাত সম্পূৰ্ণ কৰিবলৈ বিচাৰে তেনেহ'লে তেওঁলোকে GRE পৰীক্ষা দিবলগীয়া হয়।




এইটো এটা ষ্টেণ্ডাৰ্ডহিজড আৰু Educational Testing Service (ETS)ৰ দ্বাৰা নিৰীক্ষণ কৰা পৰীক্ষা। GRE test সকলো ইচ্ছুক স্নাতক শিক্ষাৰ্থীয়ে দিব পাৰে, স্নাতক পৰ্যায়ত বিশেষ বিভাগ বা বিষয় গ্ৰহণ কৰাৰ প্ৰয়োজন নাথাকে। স্নাতক পৰ্য্যায়ত ছাত্ৰ-ছাত্ৰীসকলে আহৰণ কৰা শিক্ষাৰ বিশ্লেষণাত্মক আৰু যুক্তি দক্ষতাৰ বুজ লোৱাটোৰেই এই পৰীক্ষাৰ লক্ষ্য। GRE পৰীক্ষাই ছাত্ৰ-ছাত্ৰীৰ মৌখিক যুক্তি ক্ষমতা, পৰিমাণগত যুক্তিক্ষমতা আৰু বিশ্লেষণাত্মক লেখাৰ ক্ষমতাৰ পৰ্যবেক্ষণ কৰে। পৰিমাণগত যুক্তি দক্ষতাত বা Quantitative Reasoning ভাগটোত জ্যামিতি, গণিত আৰু বীজগণিতৰ (geometry, arithmetic, algebra) প্ৰশ্ন সন্নিৱিষ্ট কৰা হয় আৰু মৌখিক যুক্তি দক্ষতা বা verbal reasoning ভাগটোৰে পৰীক্ষাৰ্থীৰ ইংৰাজী ভাষাৰ শব্দভাণ্ডাৰ আৰু ভাষাটোৰ দক্ষতাৰ বুজ লয়।

এই পৰীক্ষাৰ স্ক'ৰ স্কেল ঃ Verbal Reasoning (VR): 170, Quantitative Reasoning (QR): 170, আৰু Analytical writing Ability (AWA): 6 পইন্ট স্কেল।

অৱশ্যে শিক্ষানুষ্ঠান অনুযায়ী স্ক'ৰৰ সালসলনি সয় যদিও প্ৰখ্যাত মহাবিদ্যালয় এখনত নামভৰ্তি কৰিবলৈ VR আৰু QR দুয়োটা ভাগতে ১৬০ ৰ ওপৰত স্ক'ৰ পৰোটো প্ৰয়োজনীয়।

ভাৰতৰ বিভিন্ন চহৰত GRE ৰ পতীক্ষা পতা হয় আৰু পৰীক্ষাত পোৱা স্ক'ৰৰ ম্যাদ পাঁচ বছৰলৈকে গ্ৰহণ কৰা হয়।

আজিৰ বিশ্বায়নৰ যুগত আমাৰ ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন বিষয়ত শিক্ষা গ্ৰহণৰ বাবে দূৰ-দূৰণিৰ দেশ বিদেশলৈ যাবলৈ ইচ্ছা কৰে কিন্তু তাৰবাবে কেনেদৰে আগবাঢ়িব লাগে সেই বিষয়ে নজনা বাবে বহুতে মনৰ আশা মনতে ৰাখিব লগা হয়। এনেধৰনৰ কথা চিন্তা কৰিয়েই এই শিতানত আমি বিদেশত উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ কেনেধৰনৰ প্ৰৱেশ পৰীক্ষাত বহিব লগা হয় তাৰ কিছু আভাস দিবৰ বাবে চেষ্টা কৰিছো।


সহায় সূত্ৰ ঃ
শিল্পী ভুঞা গোস্বামী, দৈনিক জনমভূমি,
শিক্ষা সংস্থান পৃষ্ঠা January 10, 2019

## Some Special Collection of Books :




























## 8) Library Collection and User's Statistics 2017-2018 :




Library user and collection is the main elements of the any library. A user of the library, is a person, who visits to browse current books and journals through a collection of the latest arrivals in the library. The collection building, processing, stocking and display of materials, organising and managing all library services and other related activities must be entirely geared to use and the library users.

Quantitative and qualitative data about library services, library use and library users are essential for revealing and confirming the outstanding value that libraries provide.

Library statistics can be considered an importent tool to measure the all quantitative and qualitative data about library services, library use and library users. Considering all these factors duliajan college library use. library statistics to measure the library collection and user in every year.

In the year 2017-2018 library statistical data as follows :

| | |
|---|---|
| Total Collection of the library | = 22,000 Nos |
| Total Document Used | = 7,474 Nos |
| Total Library Member | = 3,409 Nos |
| Total Library User | = 14,974 Nos |

## PRESENT LIBRARY COMMITTEE MEMBERS & STAFF



***President :***

Mr. Jyoti Prasad Chetia

***Convenor :***

Mrs. Mondira Chutia

***Members :***

Dr. Likhan Ch. Borah
Dr. Hemanta Das
Mrs. Jyotimali Mahanta
Prof. Parag Saikia




***Library Staff***

***Librarian :***

Mrs. Mondira Chutia

***Library Assistant :***

Sri Tutul Gogoi

***Library Attendant :***

Mrs. Deepa Gohain
Miss Santana Borgohain
Sri Ajoy Ch. Dey
Mr. Manish Dhekiyal Phukan

*A library is the delivery room for the birth of ideas, a place where history comes to life.*
*- Norman Cousins*

## Learning Resources of the Library :

***(a) Books (Text and Reference) Collection = 22,000 Nos***

***(b) Rare Book Collection = 621 Nos.***

***(c) Current Journal and Magazine = 28 Nos.***

1. Indian Jr. of Marketing.
2. Indian Jr. of Finance
3. University News.
4. Competition Affairs.
5. Resonance
6. Indian Jr. of Eco. & Research
7. Proff. Jr. of Lib. & Information Technology.
8. Economic & Political Weekly.
9. Science Reporter.
10. Management Research.
11. Indian Jr. of Pure & Applied Chemistry.
12. Indian Jr. of Physics.
13. Ecology Environment & Conservation
14. India Today
15. Career Guide.
16. Front line.
17. Competition Refresher.
18. Prantik.
19. Gariyashi.
20. Desh.
21. Chintan - Srijan.
22. The Heritage.
23. Bijnan Jeuti.
24. Chirantan Chintan.
25. Progyajyoti.
26. Research Process.
27. Natun Ninad.
28. Pratiyogita Darpan.

**(d) E-Resource from N-List**

1. E-Journal (Full Text) = 6237 + Nos.
2. E-Books = 31,35,809 + Nos.

**(e) Journal and Magazine (Back Vol. Binding) = 500 Nos.**

**(f) Daily Newspaper = 06 Nos.**

1. Dainik Janambhumi.
2. Niyomiya Barta.
3. The Assam Tribune.
4. The Telegraph.
5. Purvanchal Prahari.
6. Anandabazar Patrika.
7. The Sentinel.

